জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬৩/২০২০

## বীৰ শ্বহীদ মৃত্যুঞ্জয় চুতীয়াৰ বাসগৃহলৈ গৈ শ্বহীদগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

# শ্বহীদগৰাকীৰ পৰিয়ালক ২০ লাখ টকাৰ এককালীন সাহায্যৰ চেক প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## শ্বহীদগৰাকীৰ সপোন অনুসৰি তেখেতৰ সমাধি ক্ষেত্ৰৰ কাষতে এখন শিশু উদ্যান নিৰ্মাণ কৰি শ্বহীদগৰাকীৰ নামেৰে নামাকৰণৰ পদক্ষেপ ল'বলৈ ধেমাজি জিলাৰ উপায়ুক্তক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৮ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ আকস্মিক গ্ৰেনেড আক্ৰমণত নিহত চি আৰ পি এফৰ জোৱান মৃত্যুঞ্জয় চুতীয়াৰ ধেমাজি জিলাৰ চিচিবৰগাঁও ৰাজহ চক্ৰৰ অধীনৰ গেলুৱা গাঁৱস্থিত বাসগৃহলৈ গৈ শ্বহীদগৰাকীৰ প্ৰতিচ্ছবিত মাল্যৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিৱেদন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ শ্বহীদগৰাকীৰ পিতৃ-মাতৃ তথা আত্মীয় স্বজনৰ সৈতে মত-বিনিময় কৰাৰ উপৰি শ্বহীদগৰাকীৰ পিতৃৰ হাতত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা ২০ লাখ টকাৰ এককালীন সাহায্যৰ চেকো প্ৰদান কৰে।

ইয়াৰ পিছতে শ্বহীদগৰাকীৰ বাসগৃহত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ বৃহত্তৰ স্বাৰ্থত বীৰ শ্বহীদ মৃত্যুঞ্জয় চুতীয়াই আত্মবলিদান দিলে। সমগ্ৰ ভাৰতবাসীৰ লগতে অসমবাসী আজি এই শ্বহীদগৰাকীৰ বাবে গৌৰৱান্বিত। ত্যাগ আৰু বীৰত্বৰ শক্তিশালী আদৰ্শ প্ৰতিষ্ঠা কৰি যোৱা শ্বহীদগৰাকী সদায়ে অমৰ হৈ থাকিব বুলি তেওঁ কয়। শ্বহীদগৰাকীৰ আদৰ্শৰে আমাৰ নতুন প্ৰজন্মই দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বাবে কাম কৰি যাবলৈ প্ৰেৰণা লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। শ্বহীদৰ তেজ কেতিয়াও অথলে নাযায় বুলি উল্লেখ কৰি এই ত্যাগে দেশৰ প্ৰতিগৰাকী নাগৰিকক স্বদেশ প্ৰেমৰ আদৰ্শৰে উদ্বুদ্ধ হোৱাৰ দিশত প্ৰেৰণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শ্বহীদগৰাকীৰ সপোন অনুসৰি তেখেতৰ সমাধিৰ কাষতে এখন শিশু উদ্যান নিৰ্মাণ কৰি শ্বহীদগৰাকীৰ নামেৰে নামাকৰণ কৰিবলৈ ধেমাজি জিলাৰ উপায়ুক্তক আজি নিৰ্দেশ প্ৰদান কৰে।

শ্বহীদগৰাকীৰ গৃহত উপস্থিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক তেৰচ গোৱালা, ধেমাজি জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২৮/১২/২০২০**